**অসম বিধানসভা**

**তাৰকাচিহ্নিত প্ৰশ্ন নং : ২১০**

**উত্তৰ দিয়াৰ তাৰিখ: ২৪/০৭/২০২৬**

**বিষয়: পথ বহলকৰণ কৰাৰ ফলত ভূমিহীন হোৱা লোকৰ সম্পৰ্কে।**

বিধায়কৰ নাম: শ্ৰী সুৰেন ফুকন

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ডিগবৈ সমষ্টিৰ গোলাই অঞ্চলৰ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বহু দিনৰ পৰা বসবাস কৰা লোক সকলক বৰ্তমান পথ বহলকৰণ আৰু ৰে'ল লাইন সম্প্ৰসাৰণৰ বাবে ভূমিহীন হৈ পৰা পৰিলক্ষিত হৈছে। উক্ত পৰিয়াল সমূহৰ ব্যৱসায় বাণিজ্যও এই ক্ষেত্ৰত যথেষ্ট ক্ষতি হোৱা পৰিলক্ষিত হৈছে, এই লোক সকলক মানৱীয় দৃষ্টিভংগীৰে পুনঃসংস্থাপনৰ ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিব নেকি? জনাব।

**<u>উত্তৰ</u>**

মাননীয় ৰাজহ আৰু দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী  শ্ৰীকেশৱ মহন্ত দেৱে উত্তৰ দিব :

জিলা আয়ুক্ত, তিনিচুকীয়াৰ প্ৰতিবেদন অনুসৰি ডিগবৈ সমষ্টিৰ গোলাই অঞ্চলৰ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথ বহলকৰণ প্ৰকল্পৰ বাবে National Highways Act, 1956 অনুসৰি ভূমি অধিগ্ৰহণ কৰা হৈছিল  যদিও তাৰ ফলত কোনো ব্যক্তি বা পৰিয়াল ভূমিহীন হোৱা নাই। লগতে সংশ্লিষ্ট স্থানীয় অঞ্চলৰ চৰকাৰী ভূমি বা পথৰ কাষৰ সংৰক্ষিত অঞ্চলৰ পৰা ভূমি অধিগ্ৰহণ বা উচ্ছেদৰ বাবে কোনো ব্যক্তি বা পৰিয়াল ভূমিহীন হৈ পৰা নাই। গতিকে সংশ্লিষ্ট স্থানীয় অঞ্চলৰ চৰকাৰী ভূমি বা পথৰ কাষৰ সংৰক্ষিত অঞ্চলৰ কোনো ব্যক্তি বা পৰিয়ালৰ পুনৰ্বাসন বা পুনঃসংস্থাপনৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হোৱা নাই। তদুপৰি জিলা আয়ুক্ত, তিনিচুকীয়াৰ প্ৰতিবেদন অনুসৰি সংশ্লিষ্ট এলেকাত কোনো ব্যক্তি বা পৰিয়ালক ৰেলৱেৰ মাটিৰ পৰা উচ্ছেদ কৰা হোৱা নাই। ইয়াৰ উপৰিও জিলা আয়ুক্ত, তিনিচুকীয়াৰ প্ৰতিবেদন অনুসৰি ডিগবৈ সমষ্টিৰ গোলাই অঞ্চলৰ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথ বহলকৰণ প্ৰকল্পৰ বাবে National Highways Act, 1956 অনুসৰি ভূমি অধিগ্ৰহণ কৰা হৈছিল আৰু উক্ত ভূমি অধিগ্ৰহণ আইন অনুসৰি প্ৰযোজ্য ক্ষতিপূৰণ, ক্ষতিগ্ৰস্ত হোৱা ব্যক্তিসকলক প্ৰদান কৰা হৈছে।

*****